# অসম বিধান সভা
# ২০২৬ চনৰ ১৫ জুলাইত উত্তৰ দিবলগীয়া
# মৌখিক প্ৰশ্ন নং – ১৪২

**বিষয়ঃ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়াৰ প্ৰতিৰোধ।**

**শ্ৰীমতী বেবী বেগম, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) ২০১১ চনৰ পূৰ্বে ব্ৰহ্মপুত্ৰ নদীৰ বহলতা উজনি অসম, মধ্য অসম আৰু নামনি অসমৰ কোনখন ঠাইত কিমান আছিল ইয়াৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছে নে? যদি আছে, সেই সময়ত ব্ৰহ্মপুত্ৰ নদীৰ বহলতা সৰ্বাধিক আৰু সৰ্বনিম্ন কিমান আছিল? বৰ্তমান ইয়াৰ বহলতা সংশ্লিষ্ট ঠাইবোৰত কিমান হৈছে? (বিস্তৃত তথ্যসহ দিব)

খ) ২০১১ চনৰ পৰা বৰ্তমানলৈকে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে কিমান বিঘা ভূমি খহাই নিছে? উক্ত খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলে কোন কোন স্থানলৈ গৈ বসতি স্থাপন কৰিবলগীয়া হৈছে? (বিস্তৃত তথ্যসহ দিব)

গ) ব্ৰহ্মপুত্ৰৰ বহলতা ২০১১ চনৰ পূৰ্ববৰ্তী অৱস্থালৈ নিবলৈ ৰাজ্য চৰকাৰে এক বিস্তৃত কৰ্ম আঁচনি প্ৰস্তুত কৰি গৰাখহনীয়াত জাহ যোৱা ভূমি পুনৰুদ্ধাৰৰ পদক্ষেপ গ্ৰহণৰ বিষয়টো অগ্ৰাধিকাৰ ভিত্তিক বিবেচনা কৰিব নে? যদি কৰে, ইয়াৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব)

ঘ) ধুবুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ নালিয়া, বিন্যাচৰা, পাটামাৰী, ভোগডহৰ, হাওৰাপাৰ, মতিৰচৰ, ভাসানীচৰ, ফলিমাৰী, মাজেৰচৰ-চলাকুৰা আৰু পদ্মেৰ আলগা গাঁও পঞ্চায়ত এলেকাত ব্যাপক গৰাখহনীয়াই চলিত বৰ্ষত ভয়াৱহ ৰূপ ধাৰণ কৰাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগত নে? যদি অৱগত, এই খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা আছে নে? এইক্ষেত্ৰত কি কি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দাখিল কৰিব)

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) ব্ৰহ্মপুত্ৰ নদীৰ বিভিন্ন অঞ্চলৰ বিভিন্ন সময়ৰ বহলতা জল সম্পদ বিভাগৰ অধীনৰ জলতথ্য বিজ্ঞান শাখা (Hydro Informatics Unit) Google Earth Hybrid Image ৰ পৰা সংগ্ৰহ কৰে। ২০১১ চনৰ পূৰ্বে আৰু বৰ্তমানে উজনি, মধ্য আৰু নামনি অসমৰ বিভিন্ন এলেকাত ব্ৰহ্মপুত্ৰ নদীৰ বহলতাৰ পৰিমাণৰ সবিশেষ **"Annexure-A"** ত উল্লেখ কৰা হ'ল।

খ) উক্ত বিষয়টো জল সম্পদ বিভাগৰ অধীনস্থ নহয়। এই সন্দৰ্ভত পত্ৰ নং WR(C)247867/380 dtd.09/07/26 ৰ জৰিয়তে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা তথ্য বিচৰা হৈছিল। উত্তৰ যুগোতোৱা পৰলৈকে ৰাজহ বিভাগৰ পৰা তথ্য আহি পোৱা নাই।

গ) ব্ৰহ্মপুত্ৰ নদীৰ পৰা ভূমি উদ্ধাৰ (reclamation) কৰাটো অত্যন্ত প্ৰত্যাহ্বানজনক, কাৰণ এই নদীখন অত্যন্ত সৰ্পিল বা বেণীসদৃশ (braided), ইয়াত বিশ্বৰ অন্যতম সৰ্বাধিক গেদ বা পলস (sediment load) কঢ়িয়াই অনা হয় আৰু ই সঘনাই নিজৰ গতিপথ সলনি কৰে। এই ডাঙৰ প্ৰত্যাহ্বানটো থকাৰ পিছতো, অসম চৰকাৰৰ

জলসম্পদ বিভাগে বৈজ্ঞানিক পদ্ধতিৰে নদীৰ খহনীয়া ৰোধ কৰিবলৈ আৰু সম্ভৱপৰ ঠাইত ভূমি ঘূৰাই আনিবলৈ নিজৰ সৰ্বোত্তম প্ৰয়াস চলাই আছে।

**বিভাগে গ্ৰহণ কৰা প্ৰধান পদক্ষেপসমূহ:**

- **আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ**: নদীৰ পাৰ সুস্থিৰ কৰিবলৈ জিঅ'-বেগ (geo-bags), জিঅ'-টিউব (geo-tubes) আৰু আৰ.চি.চি. পৰ্কুপাইন আদি ব্যৱহাৰ কৰা হৈছে, যাতে খহনীয়া বন্ধ হোৱাৰ লগতে প্ৰাকৃতিকভাৱে পলস জমা হৈ নতুন ভূমি সৃষ্টি হ'ব পাৰে।
- **নদীৰ প্ৰবাহ নিয়ন্ত্ৰণ:** স্পৰ্শকাতৰ অঞ্চলসমূহত পানীৰ পোনপটীয়া চাপ কমাবলৈ প্ৰয়োজন অনুসৰি খনন (dredging) আৰু চেনেল সুস্থিৰকৰণৰ কাম কৰা হৈছে।
- **উপগ্ৰহৰ সহায়ত নিৰীক্ষণ:** নদীখনে কেতিয়া কেনেকৈ গতিপথ সলনি কৰিব পাৰে, তাক আগতীয়াকৈ বুজিবলৈ উপগ্ৰহ চিত্ৰ (satellite imagery) আৰু জলবিজ্ঞানৰ সহায় লোৱা হৈছে।
- **প্ৰাকৃতিক সুৰক্ষা (Bio-engineering):** কেৱল বান্ধ নিৰ্মাণ কৰাই নহয়, মাটি টানকৈ ধৰি ৰাখিবলৈ নদীৰ পাৰে পাৰে বিশেষ ঘাঁহ (যেনে- ভেটিভাৰ) আৰু গছ ৰোপণ।
- **জৈৱ-অভিযান্ত্ৰিক (bio-engineering)** পদ্ধতিক অধিক বিজ্ঞানসন্মত কৰিবলৈ আৰু ইয়াৰ কাৰ্যকাৰিতা পৰীক্ষা কৰিবলৈ আই.আই.টি. গুৱাহাটী (IIT Guwahati) ৰ সৈতে এক যুটীয়া গৱেষণা ও অধ্যয়নৰ বুজাবুজি চুক্তি (MoU) স্বাক্ষৰ কৰা হৈছে।
- **আন্তঃৰাষ্ট্ৰীয় সহযোগিতা:** এছিয়ান ডেভেলপমেণ্ট বেংক (ADB) ৰ অৰ্থসাহাৰ্য্যত FREMAA-ৰ জৰিয়তে দীৰ্ঘম্যাদী আৰু আধুনিক খহনীয়া নিয়ন্ত্ৰণ আঁচনি ৰূপায়ণ কৰা হৈছে।

  এই মৰ্মে এডিবিৰ সহায়ত Climate Resilient Brahmaputra Flood and Riverbank Erosion Risk Management Project (CRBIFRERMP) প্ৰকল্পৰ অধীনত ২০২৩ চনৰ অক্টোবৰ মাহত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত সমগ্ৰ অসমতে কাৰ্য্যকৰী কৰাৰ বাবে প্ৰথম পৰ্য্যায়ত ২০০ মিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ অনুমোদন কৰা হয়। প্ৰকল্পটোৰ মূল উপাদানসমূহৰ ভিতৰত আছে:

- ৯০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নদীৰ পাৰ সুৰক্ষা আৰু ১৪ কিলোমিটাৰ জৰুৰীকালীন কাম সম্পন্ন কৰা
- Pro-siltation ব্যৱস্থাৰ বাবে ১৮৩ খন পৰ্কুপাইন স্ক্ৰীণ স্থাপন কৰা
- ৮ খন জিলাত মথাউৰি নিৰ্মাণ আৰু শক্তিশালী কৰা

  তদুপৰি ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ প্ৰকল্পৰ ব্যৱস্থা সমূহ অধিক সম্প্ৰসাৰণৰ বাবে ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত এডিবিয়ে ১৮২ মিলিয়ন মাৰ্কিন ডলাৰৰ অতিৰিক্ত বিত্তীয় সাহায্যৰ অনুমোদন জনাইছে আৰু এই অতিৰিক্ত পৰিসৰৰ ভিতৰত আছে:

- ৬৭ কিলোমিটাৰ খহনীয়া প্ৰতিৰোধৰ কাম
- Pro-siltation ব্যৱস্থাৰ বাবে ১৪৪টা অতিৰিক্ত পৰ্কুপাইন স্ক্ৰীণ স্থাপন কৰা
- ২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ
- প্ৰকল্পৰ পৰিসৰ ১২খন জিলালৈ বৃদ্ধি কৰা

নদীখনক পূৰ্বৰ পাৰৰ ৰেখালৈ (২০১১ৰ অৱস্থা) পুনৰুদ্ধাৰ কৰিবলৈ হ'লে জলবিজ্ঞান, ৰূপতাত্ত্বিক আৰু পলস পৰিবহণ বিশ্লেষণ অন্তৰ্ভুক্ত কৰি এক বিস্তৃত আৰু বিশদ বৈজ্ঞানিক অধ্যয়নৰ প্ৰয়োজন হ'ব।

ঘ) ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত ভাৰত বাংলাদেশ সীমান্তৰ নালিয়া, বিন্যাচৰা, পাটামাৰী ভোগডহৰ, হাওৱাৰপাৰ মতিৰ চৰ, ভাসানীৰ চৰ — ফলিমাৰী, মাজেৰচৰ-চলাকুৰা আৰু পদ্মেৰ আলগা— গাঁও পঞ্চায়ত এলেকাত খহনীয়া অব্যাহত থকা বিষয়ে জলসম্পদ বিভাগ অৱগত। ধুবুৰী বিধান সভা সমষ্টিৰ ভাৰত বাংলাদেশ সীমান্তৰ অতি কৈ খহনীয়া অঞ্চল লগতে BSF-BOP আৰু সীমান্তৰ কাঁইটীয়া তাৰ গংগাধৰ নদীৰ কবলৰ পৰা ৰক্ষাৰ বাবে— বিন্যাচৰা Pt-II ত RIDF XXVIII, বিন্যাচৰা Pt-III RIDF XXIX আৰু SOPD-FDR 2019-20 শিতানত মুঠ ৩ খন আঁচনি ৰূপায়ন কৰাত উক্ত এলেকাৰ প্ৰায়— 2970 মিটাৰ অঞ্চল খহনীয়াৰ তাণ্ডৱৰ পৰা পৰিত্ৰাণ পাইছে। আঁচনিৰ সবিশেষ **"Annexure-B"** ত উল্লেখ কৰা হ'ল।

অৱশ্যে বিন্যাচৰা গাঁও পঞ্চায়তৰ বিন্যাচৰা Pt-I অঞ্চলত খহনীয়া অব্যাহত আছে আৰু উক্ত অঞ্চল টো খহনীয়া মুক্ত কৰাৰ বাবে SDMF 2026-27 অধীনত ৮.০০ কোটি টকা মূল্যৰ এখন Concept paper প্ৰস্তুত কৰা হৈছে। তেনেদৰে, বেৰভাঙি Pt-III অঞ্চলৰ খহনীয়া ৰোধৰ বাবে— SDMF 2026-27 ৰ অধীনত ১০.০০ কোটি টকাৰ আৰু Binnachara Pt-IV অঞ্চলৰ বাবে ৮.০০ কোটি টকাৰ Concept paper প্ৰস্তুত কৰা হৈছে। যাবতীয় পূঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনিৰ কাম আৰম্ভ কৰিব পৰা হ'ব।

তাৰোপৰি টাকামাৰী, টিষ্টাৰপাৰ আদি অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে ক্ৰমে ১০.০০ কোটি আৰু ৮.০০ কোটি টকাৰ দুখন আঁচনি প্ৰস্তুত কৰা হৈছে আৰু যাবতীয় পূঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনিৰ কাম আৰম্ভ কৰিব পৰা হ'ব। আঁচনিৰ সবিশেষ **'Annexure-C'** ত উল্লেখ কৰা হ'ল।

হাওৱাৰপাৰ, মতিৰচৰ,ভাসানিৰচৰ গাওঁ পঞ্চায়তৰ ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা খহনীয়া প্ৰতিৰোধৰ বাবে যাবতীয় জৰীপ কৰি কৰি অতি সোনকালে প্ৰাক্কলন প্ৰস্তুত কৰা হ'ব। ফলিমাৰি গাওঁ পঞ্চায়তৰ অধীনত টিপকাই নদীৰ দ্বাৰা খহনীয়া হৈ থকা কুন্তীৰচৰ ১ম খণ্ড আৰু ২য় খণ্ড, ধুবৰীৰ চৰ, তিনপট্টি আদি অঞ্চলত অস্থায়ী ভাবে flood drill 2026-27ৰ অধীনত কাম কৰি থকা হৈছে। তেনেকুৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা খহনীয়া হোৱা পদ্মেৰ-আলগা গাওঁ পঞ্চায়তৰ অধীনত, কাতলামাৰি, NC 5 এলেকাত flood drill 2026-27 বৃত্তীয় বৰ্ষৰ অধীনত কাম কৰি থকা হৈছে আৰু আটাইবোৰ অঞ্চলত খহনীয়া কিছু পৰিমাণে কমিছে। মাজেৰচৰ এলেকাত ও অস্থায়ী ভাবে কাম হাতত লোৱা হৈছে আৰু খহনীয়াৰ হাৰ কমা পৰিলক্ষিত হৈছে।

( উক্ত প্ৰশ্নৰ উত্তৰৰ সৈতে **"Annexure-A"**, **"Annexure-B"** আৰু **"Annexure-C"** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

***************

**ANNEXURE-A**

| Sl no | Name of places | Width in 2011 | Locations of north and south bank | Width in 2025-26 | Locations of north and south bank | Remarks |
|---|---|---|---|---|---|---|
| 1 | Dibrugarh | 9.88 km | 94°49'4.87"E,27°31'59.20"N<br>94°54'9.94"E,27°29'8.18"N | 10.25 km | 94°48'56.79"E 27°32'3.51"N<br>94°54'10.57"E,27°29'7.34"N | minimum width is 1.51 km in 2011 in Guwahati |
| 2 | Jorhat | 9.8.km | 94° 8'45.04"E, 26°55'10.18"N<br>94° 9'0.45"E 26°49'49.48"N | 10.2km | 94° 8'51.75"E, 26°55'8.75"N<br>94° 8'42.62"E,26°49'51.22"N | maximum width is 9.88 km in 2011 Dibrugarh |
| 5 | Tezpur | 6.74km | 92°47'52.06"E ,26°36'59.89"N<br>92°48'3.72"E ,26°33'21.08"N | 7.54 km | 92°47'52.06"E,26°36'59.89"N<br>92°48'2.15"E,26°32'55.47"N | |
| 3 | Guwahati | 1.51 km | 91°43'17.60"E 26°11'9.73"N<br>91°43'49.09"E 26°10'29.65"N | 1.51 km | 91°43'17.60"E 26°11'9.73"N<br>91°43'49.09"E 26°10'29.65"N | minimum width is 1.51 km in 2025-26 in Guwahati |
| 6 | Goalpara | 4.69 km | 90°37'34.63"E, 26°13'37.10"N<br>90°38'0.70"E , 26°11'5.89"N | 5.15 km | 90°38'0.70"E 26°11'5.89"N<br>90°37'34.66"E ,26°13'51.45"N | maximum width is 13.087 km in 2025-26 in Dhubri |
| 4 | Dhubri | 8.44 km | 89°59'40.569"E 26°1'3.735"N<br>90°3'24.727"E 25°57'59.432"N | 13.087 km | 89°59'40.73"E,26° 1'3.83"N<br>90° 2'44.94"E ,25°57'47.99"N | |

10/7/26

Chief Engineer
Water Resources Deptt
Basistha, Ghy-29

# Annexure-B

List of schemes executed near Indo-Bangla border under Dhubri LAC

| Sl. No | Head | Financial Year | Name of scheme | Estimated amount | Reach length |
|---|---|---|---|---|---|
| 1 | SOPD-FDR | 2019-20 | Restoration of damages of Border road and Indo-Bangladesh border fencing at Binnachara area from flooding of river Gangadhar under SOPD (FDR). | Rs. 580.00 L | 470m |
| 2 | NABARD (RIDF-XXVIII) | 2022-23 | Restoration of damages of Kanuri-Binnachara PWD and Indo-Bangla Border Road at Binnachara Pt-II Village and its adjoining areas from the erosion of river Gangadhar under NABARD (RIDF-XXVIII). | Rs. 1249.87 L | 1400m |
| 3 | NABARD (RIDF-XXIX) | 2023-24 | Anti erosion measures to protect Binnachara Pt-III areas from the erosion of river Gangadhar on its R/B under NABARD (RIDF-XXIX) | Rs.1000.00 L | 1100m |

10/7/26

Chief Engineer
Water Resources Deptt
Basistha, Ghy-29

# Annexure-C

| Sl. No. | Name of scheme | Estimated Amount |
|---|---|---|
| 1 | Flood Mitigation and Resilience Approach for Stabilization of River Bank at Berbhangi Pt-III area from flooding of river Gangadhar on it's R/B under SDMF for the year 2026-27 | 1000.00 Lakhs |
| 2 | Flood Mitigation and Resilience Approach for Stabilization of River Bank at Binnachara Pt-I village near IBB road from flooding of river Gangadhar on it's R/B under SDMF for the year 2026-27 | 800.00 Lakhs |
| 3 | Flood Mitigation and Resilience Approach for Stabilization of River Bank at Binnachara Pt-IV, IBB road and border fencing from flooding of river Gangadhar on its R/B under SDMF for the year 2026-27 | 800.00 Lakhs |
| 4 | Anti erosion measures to protect Takamari BOP and its adjoining areas from the erosion of river Gangadhar on its R/B. | 1000.00 Lakhs |
| 5 | Anti erosion measures to protect Tistarpar BOP and border fencing from the erosion of river Gangadhar on its L/B. | 800.00 Lakhs |
| 6 | Construction of Embankment from K.B Road at Paschim gaikhowa to Agril Protection Bund at Dimakuri Pt-I village along the R/B of river Gangadhar. | 499.83 Lakhs |

10/7/26

Chief Engineer
Water Resources Deptt
Basistha, Ghy-29